**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছিকিমৰ ৰাজ্যিক প্ৰতিষ্ঠা দিৱসৰ সোণালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২।	কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে অহা ৪ৰ পৰা ১০ মে'লৈ দেশজুৰি 'অগ্নি সুৰক্ষা সপ্তাহ ২০২৬' পালন কৰাৰ ঘোষণা কৰিছে।

৩।	আজি কৰ্মস্থল সুৰক্ষা আৰু স্বাস্থ্য দিৱস সমগ্ৰ বিশ্বতে পালন কৰা হৈছে।

৪।	ইৰানে হৰমুজ প্ৰণালী চৰ্তসাপেক্ষে খুলি দিয়াৰ বাবে আমেৰিকাৰ প্ৰতি প্ৰস্তাৱ আগবঢ়াইছে।

*আৰু*

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৯ উইকেটত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গেংটকৰ পালজোৰ ষ্টেডিয়ামত আয়োজিত ছিকিমৰ ৰাজ্যিক প্ৰতিষ্ঠা দিৱসৰ ৫০ বছৰীয়া জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত ছিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং গ'লেই, ৰাজ্য চৰকাৰৰ মন্ত্ৰী  আৰু কেইবাজনো সাংসদ উপস্থিত থকাৰ কথা। এই উপলক্ষে শ্ৰীমোদীয়ে ৰাজ্যখনত ৪ হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক আঁচনি উদ্বোধন, শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত তেওঁ সমবেত জনতাক উদ্দেশ্যি ভাষণো আগবঢ়াব।

ছিকিমৰ সামগ্ৰিক তথা অন্তৰ্ভুক্তিমূলক উন্নয়ন ত্বৰান্বিত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা প্ৰকল্পসমূহে আন্তঃগাথনি, সংযোগ ব্যৱস্থা, স্বাস্থ্য, শিক্ষা, বিদ্যুৎ, নগৰ উন্নয়ন, পৰিৱেশ, পৰ্যটন আৰু কৃষি আদি বহুতো গুৰুত্বপূৰ্ণ খণ্ড সামৰি ল'ব।

উল্লেখযোগ্য আঁচনিসমূহৰ ভিতৰত নামচি জিলাৰ য়াঙাঙত ১০০খন বিচনাযুক্ত এক আয়ুৰ্বেদিক চিকিৎসালয়ৰ আধাৰশিলা স্থাপন আৰু য়াঙাঙতে ছিকিম বিশ্ববিদ্যালয়ৰ স্থায়ী চৌহদ উদ্বোধন অন্যতম। অনুষ্ঠানত 'একতাৰ হাজাৰ খোজ' শীৰ্ষক এক বৃহৎ সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হ'ব, য'ত ডেৰ হাজাৰৰো অধিক স্থানীয় শিল্পীয়ে অংশগ্ৰহণ কৰিব।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে মুখ্যমন্ত্ৰীৰ সৈতে গেংটকৰ ৰিজ পাৰ্ক অৰ্কিডাৰিয়াম পৰিদৰ্শন কৰিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে অহা ৪ৰ পৰা ১০ মে'লৈ দেশজুৰি 'অগ্নি সুৰক্ষা সপ্তাহ ২০২৬' পালন কৰাৰ ঘোষণা কৰিছে। এই সন্দৰ্ভত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য সচিবসকললৈ প্ৰেৰণ কৰা এখন পত্ৰত মন্ত্ৰালয়ৰ সচিব পুণ্য সলিলা শ্ৰীবাস্তৱে এই অভিযানৰ জৰিয়তে সমগ্ৰ দেশৰ স্বাস্থ্যসেৱা প্ৰতিষ্ঠানসমূহত অগ্নি নিৰ্বাপন আৰু সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি উল্লেখ কৰিছে ।

এই বছৰৰ অগ্নি সুৰক্ষা সপ্তাহ 'সুৰক্ষিত বিদ্যালয়, সুৰক্ষিত চিকিৎসালয় আৰু অগ্নি সুৰক্ষাত সচেতন সমাজ - অগ্নি প্ৰতিৰোধত সমূহীয়া প্ৰচেষ্টা' শীৰ্ষক বিষয়বস্তুৰে পালন কৰা হ'ব। এই অভিযানৰ লক্ষ্য হৈছে স্বাস্থ্যকৰ্মী, ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ জনতাৰ মাজত সজাগতা তথা নিয়মসমূৰ মানি চলাৰ প্ৰৱণতা বৃদ্ধি কৰা আৰু সুৰক্ষাৰ সংস্কৃতি গঢ়ি তোলা। মন্ত্ৰালয়ে এই কাৰ্যসূচী সফলৰূপে ৰূপায়ণৰ বাবে অনুষ্ঠানৰ সূচী, অগ্নি সুৰক্ষা শপতপত্ৰ আদি প্ৰস্তুত কৰি সেয়া অনলাইনত উপলব্ধ কৰিছে।

মন্ত্ৰালয়ে উল্লেখ কৰিছে যে, অগ্নিকাণ্ড-স্বাস্থ্যসেৱা প্ৰতিষ্ঠানসমূহত জীৱন আৰু সম্পত্তিৰ প্ৰতি গুৰুতৰ সংকট সৃষ্টিৰ কাৰণ হৈ পৰে, বিশেষকৈ অবিৰত চিকিৎসা সেৱাৰ ওপৰত নিৰ্ভৰশীল ৰোগী থকা অৱস্থাত পৰিস্থিতি অধিক জটিল হৈ পৰে। গ্ৰীষ্মকাল আৰম্ভ হোৱাৰ লগে লগে সতৰ্কতা বৃদ্ধি কৰা আৰু অগ্নি সুৰক্ষা নিয়মসমূহ কঠোৰভাৱে পালন কৰাটো অতি প্ৰয়োজনীয়। এই পৰিপ্ৰেক্ষিতত সকলো স্বাস্থ্য প্ৰতিষ্ঠানক নীতি-নিয়মসমূহ মানি চলিবলৈ আৰু গ্ৰহণ কৰা ব্যৱস্থাৰ প্ৰতিবেদন Integrated Disease Surveillance Programme প'ৰ্টেলত দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মূল্যাংকনৰ সময়ত চিহ্নিত হোৱা যিকোনো ত্ৰুটি তৎকালীনভাৱে সংশোধন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

গৃহ মন্ত্ৰালয়ৰ অধীনস্থ অগ্নিসেৱা, অসামৰিক সুৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালকালয়ৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে আৰু জিলা পৰ্যায়ৰ স্বাস্থ্য প্ৰতিষ্ঠান, চিকিৎসা মহাবিদ্যালয় সংলগ্ন চিকিৎসালয় আৰু মাল্টি স্পেচিয়েলিটী বা বহু-বিশেষজ্ঞতা সম্পন্ন চিকিৎসা কেন্দ্ৰসমূহক বিশেষ গুৰুত্ব দিয়া হৈছে।

০০০০০

আজি কৰ্মস্থল সুৰক্ষা আৰু স্বাস্থ্য দিৱস সমগ্ৰ বিশ্বতে পালন কৰা হৈছে। এই দিৱসত কৰ্মক্ষেত্ৰত হ'ব পৰা দুৰ্ঘটনা আৰু নানা ধৰণৰ ৰোগ প্ৰতিৰোধ, সচেতনতা বৃদ্ধি আৰু এটা সুৰক্ষা সংস্কৃতি গঢ়ি তোলাৰ উদ্দেশ্যে সজাগতা সৃষ্টি কৰা হয়। কৰ্মক্ষেত্ৰত দুৰ্ঘটনা আৰু ৰোগ প্ৰতিহত কৰাৰ বাবে ২০০৩ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাই এই দিৱস উদযাপন কৰিবলৈ প্ৰথমে আৰম্ভ কৰিছিল। এইবাৰৰ এই দিৱসৰ মূল বাণী হৈছে— **সু-মনোসামাজিক কৰ্ম পৰিৱেশ- শ্ৰমিকৰ উন্নতি আৰু শক্তিশালী সংগঠনৰ পথ**। এই বাণীৰ জৰিয়তে মনোসামাজিক প্ৰত্যাহ্বানসমূহ বিশেষকৈ মানসিক চাপ, উৎপীড়ন আদি প্ৰতিৰোধ কৰাৰ আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি উত্তৰ প্ৰদেশত উপস্থিত হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীমোদীয়ে বাৰানসীত হ'বলগীয়া এখন মহিলা সন্মিলনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে তাত ৬ হাজাৰ কোটি টকাতকৈও অধিক ব্যয়সাপেক্ষে ৰাজ্যখনত নিৰ্মাণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ

আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে অযোধ্যাৰ পৰা মুম্বাইলৈ আৰু বাৰানসীৰ পৰা পুণেলৈ দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'ল সেৱা মুকলি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা কৰিব। এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গংগা এক্সপ্ৰেছৱে মুকলি কৰিব। উল্লেখযোগ্য যে ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দ্ৰুতগতিৰ ছয়লেনযুক্ত ঘাইপথটো ৩৬ হাজাৰ কোটি টকাতকৈও অধিক ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে হৰমুজ প্ৰণালী খুলি দিয়াৰ বাবে ইৰানৰ শেহতীয়া প্ৰস্তাৱ সন্দৰ্ভত ৰাষ্ট্ৰীয় নিৰাপত্তা দলৰ সৈতে আলোচনা কৰে। হোৱাইট হাউছৰ মুখপাত্ৰ কেৰ'লিন লিভিটে এখন সংবাদমেল সম্বোধন কৰি কয়, যে ৰাষ্ট্ৰপতি ট্ৰাম্পৰ ইৰানৰ শেহতীয়া প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অব্যাহত আছে। মুখপাত্ৰগৰাকীয়ে সাংবাদিকসকলক কয়, যে ৰাষ্ট্ৰপতি ট্ৰাম্পে এই সন্দৰ্ভত শীঘ্ৰেই পোনপটীয়াকৈ প্ৰকাশ কৰিব।

উল্লেখযোগ্য যে ইৰানে শেহতীয়াকৈ হৰমুজ প্ৰণালী চৰ্তসাপেক্ষে খুলি দিয়াৰ বাবে আমেৰিকাৰ প্ৰতি প্ৰস্তাৱ আগবঢ়াইছে। আমেৰিকাই ইৰানৰ অৱৰোধ কৰি ৰখা বন্দৰসমূহ মুকলি কৰি দিয়াৰ লগতে আৰু যুদ্ধ বন্ধ কৰাৰ বিনিময়ত ইৰানে হৰমুজ প্ৰণালী খুলি দিয়াৰ চৰ্ত আগবঢ়াইছে। ট্ৰাম্প প্ৰশাসনৰ প্ৰতি আগবঢ়োৱা এই প্ৰস্তাৱত তেহৰানে কয়, যে দেশখনৰ পাৰমাণৱিক কাৰ্যসূচী সন্দৰ্ভত পৰৱৰ্তী পৰ্যায়ত আলোচনা কৰা হ'ব। ইৰানৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাঘচিয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে ছেণ্ট পিটাৰ্ছবাৰ্গ আৰু বৈদেশিক মন্ত্ৰী ছাৰ্গেই লেভৰ'ভ'ৰ সৈতে হোৱা আলোচনাৰ পাছতে ইৰানে ট্ৰাম্প প্ৰশাসনৰ প্ৰতি এই প্ৰস্তাৱ আগবঢ়াইছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং কিৰ্গিজস্তানৰ ৰাজধানী বিস্কেকত উপস্থিত হৈ সাংহাই সহযোগিতা সংস্থা, এছ-চি-অ'ৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিছে।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি, এই ভ্ৰমণ আৰু বৈঠকে এছিচিঅ' সদস্য দেশসমূহৰ মাজত আঞ্চলিক শান্তি, নিৰাপত্তা আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ প্ৰকাশ কৰিছে। লগতে বৈঠকত আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক নিৰাপত্তা পৰিস্থিতি, সন্ত্ৰাসবাদবিৰোধী ব্যৱস্থা তথা পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ বিভিন্ন দিশত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ে সমাগত গ্ৰীষ্মৰ প্ৰতি লক্ষ্য ৰাখি সম্ভাব্য গ্ৰীষ্মপ্ৰবাহ সদৃশ পৰিস্থিতিৰ সৈতে সন্মুখীন হ'বলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক প্ৰস্তুতিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য সচিবসকললৈ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ প্ৰেৰণ কৰা এখন পত্ৰত সচিব পুন্য সলিলা শ্ৰীবাস্তৱে কয়, যে এপ্ৰিলৰ পৰা জুন মাহলৈ সমগ্ৰ পূব, মধ্য আৰু উত্তৰ-পশ্চিম ভাৰতৰ লগতে দক্ষিণ-পূব উপদ্বীপ অঞ্চলত স্বাভাৱিতকৈ গৰম বেছি হ'ব বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

মন্ত্ৰ্যালয়ে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত গ্ৰীষ্মপ্ৰবাহজনিত পৰিস্থিতিৰ সৈতে মুখামুখি হ'বলৈ স্বাস্থ্য ব্যৱস্থা, এম্বুলেন্স সেৱা আৰু আগতীয়া সতৰ্কীকৰণ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৯ উইকেটত পৰাস্ত কৰে। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত একপক্ষীয় খেলখনত প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি দিল্লীয়ে ৭৫ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ১৬ অভাৰ আৰু ৩টা বলতে ইনিংছ সামৰিবলৈ বাধ্য কৰোৱা বেংগালুৰুৰ হৈ জ'ছ হেজেলউদে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত দুৰ্দান্ত ফৰ্মত থকা বেংগালুৰুৱে মাত্ৰ এটা উইকেট হেৰুৱাই সপ্তম অভাৰতে বিজয় সুনিশ্চিত কৰে। হেজেলউদক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়।
প্ৰতিযোগিতাত আজি সন্ধিয়া চাৰে ৭ বজাত পঞ্জাৱ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত